# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 14-10-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

- - - - - - - - - - - - - - -

১। অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত হ'বলগীয়া চতুৰ্থ বৰ্গৰ পদসমূহৰ পৰীক্ষাৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলৰ কাইলৈ প্ৰৱেশ পত্ৰৰ ডাউনলোড প্ৰক্ৰিয়া আৰম্ভ।

২। ডেৰন এইচমগলু, ছাইমন জনছন আৰু জেইমছ ৰবিনছনলৈ ২০২৪ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল পুৰস্কাৰ।

৩। আঞ্চলিক দল অসম গণ পৰিষদৰ ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন।

৪। শাৰদীয় দুৰ্গা পূজাৰ সময়ছোৱাত ৰাজ্যখনত ৮৪৩টা পথ দুৰ্ঘটনা সংঘটিত হোৱা বুলি জৰুৰীকালীন সেৱা প্ৰদানকাৰী মৃত্যুঞ্জয় ১০৮ সেৱাৰ প্ৰকাশ। **আৰু**

৫। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অসম অলিম্পিক সন্থাৰ নৱনিৰ্বাচিত কাৰ্যনিৰ্বাহকৰ প্ৰথমখন বৈঠক। লাভলীনা বৰগোহাঁইৰ নামত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদানৰ সিদ্ধান্ত।

ooooo

অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত হ'বলগীয়া চতুৰ্থ বৰ্গৰ পদসমূহৰ পৰীক্ষাৰ বাবে আবেদনকাৰী প্ৰাৰ্থীসকলে কাইলৈৰ পৰা প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগে ইতিমধ্যে জাৰি কৰা নিৰ্দেশনা অনুসৰি প্ৰাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট www.site.sebaonline.org আৰু অসম চৰকাৰৰ ৱেবছাইট www.assam.gov.in ৰ পৰা ডাউনলোড কৰিব পাৰিব। উল্লেখযোগ্য যে, অহা ২৭ অক্টোবৰত চতুৰ্থবৰ্গৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। সেইদিনা পুৱা ৯ বজাৰ পৰা চাৰে ১১ বজালৈ আই টি আই উত্তীৰ্ণসকলকে ধৰি হাইস্কুল শিক্ষান্ত পৰীক্ষা পৰ্যায়ৰ পদসমূহৰ বাবে আৰু দিনৰ ডেৰ বজাৰ পৰা বিয়লি চাৰি বজালৈ অষ্টম শ্ৰেণী পৰ্যায়ৰ পদসমূহৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। নিৰ্দেশনাত উল্লেখ থকা অনুসৰি লিখিত পৰীক্ষাৰ দিনা প্ৰাৰ্থীসকলে আধাৰ কাৰ্ড, পান কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ কাৰ্ডকে ধৰি যিকোনো এখন ফটোযুক্ত পৰিচয়-পত্ৰ, প্ৰৱেশপত্ৰৰ সৈতে দেখুৱাব লাগিব লগতে প্ৰৱেশপত্ৰৰ সন্নিৱিষ্ট পৰীক্ষাৰ নীতি-নিয়মসমূহ প্ৰাৰ্থীসকলক মানি চলিবলৈ কোৱা হৈছে। চতুৰ্থবৰ্গৰ মুঠ পদৰ সংখ্যা হৈছে পাঁচ হাজাৰ আৰু অহা ২৭ অক্টোবৰত মুঠ ১৩ লাখ ৭৯ হাজাৰ ১৩২ গৰাকী প্ৰাৰ্থী লিখিত পৰীক্ষাত অৱতীৰ্ণ হ'ব।

ooooo

ডেৰন এইচমগলু, ছাইমন জনছন আৰু জেইমছ ৰবিনছনলৈ ২০২৪ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। দেশৰ সমৃদ্ধিক সাকাৰ কৰাৰ ক্ষেত্ৰত সামাজিক সংস্থাসমূহৰ ভূমিকা সন্দৰ্ভত কৰা যুগান্তকাৰী গৱেষণাৰ বাবে তেওঁলোকলৈ এই সন্মান আগবঢ়োৱা হৈছে। অৰ্থনীতিৰ পুৰস্কাৰ ঘোষণা কৰি ৰয়েল ছুইডিছ একাডেমী অফ ছাইন্সেজৰ ন'বেল সমিতিয়ে দেশৰ অৰ্থনৈতিক বিকাশ, অসমানতা হ্ৰাস আৰু

আইনৰ শাসন উন্নীতকৰণৰ ক্ষেত্ৰত সামাজিক প্ৰতিষ্ঠানসমূহৰ অৱদানৰ সন্দৰ্ভত তিনিওগৰাকী অৰ্থনীতিবিদৰ গৱেষণাক প্ৰশংকা কৰে।

০০০০০

ঐতিহাসিক অসম আন্দোলনৰ পটভূমিত জন্মলাভ কৰা আঞ্চলিক দল অসম গণ পৰিষদ দলে আজি ৪০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। **ডিব্ৰুগড়** জিলাৰ লাহোৱাল-চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত জেৰাই গাঁৱত আজি দিনযোৰা কাৰ্যসূচীৰে কেন্দ্ৰীয়ভাৱে দলটোৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। দলৰ সভাপতি অতুল বৰাই পতাকা উত্তোলনেৰে আৰম্ভ কৰা এই কাৰ্যসূচীত জিলা সমিতিসমূহৰ সভাপতিসকল আৰু দলৰ আন জ্যেষ্ঠ নেতাসকলে ৪০ খন পতাকা উত্তোলন কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত শ্বহীদ তৰ্পণ কৰি দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তই অসম আন্দোলনৰ সময়ত শ্বহীদসকলকে ধৰি দলৰ অন্যান্য নেতা-কৰ্মীসকলৰ অৱদান স্মৰণ কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা সভাত ভাষণ দি দলৰ সভাপতি শ্ৰী বৰাই কয় যে, অসম গণ পৰিষদৰ প্ৰগতিশীল জাতীয়তাবাদী দৰ্শনেই ৰাইজৰ আস্থা বৃদ্ধিৰ মূল কাৰক। দলটোৰ জন্মৰ আঁৰত অজস্ৰজনৰ সংগ্ৰাম আৰু আত্মত্যাগৰ বিষয়েও সভাপতিগৰাকীয়ে স্মৰণ কৰে। সভাত কাৰ্যকৰী সভাপতি শ্ৰী মহন্তৰ উপৰি দলৰ জ্যেষ্ঠ নেতা তথা সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু ফণীভূষণ চৌধুৰী, সাধাৰণ সম্পাদক সুনীল ৰাজকোঁৱৰ, বিধায়ক তথা নেতা পৃথ্বীৰাজ ৰাভা আৰু পোনাকণ বৰুৱাকে ধৰি বহু ব্যক্তি উপস্থিত আছিল। প্ৰতিষ্ঠা দিৱস সন্দৰ্ভত দলৰ মুখপাত্ৰ ড০ তপন কুমাৰ দাসে এইদৰে কয়-

**-ভইচ কাষ্ট-**

ইফালে **গোলাঘাটতো** দলৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। জিলাখনৰ বোকাখাটত দিনযোৰা কাৰ্যসূচীৰে এই প্ৰতিষ্ঠা দিৱসটি পালন কৰা হয়। **ৰঙিয়া** বিধানসভা সমষ্টিৰ দলৰ মুখ্য কাৰ্যালয়তো প্ৰতিষ্ঠা দিৱস দিনযোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত সাংসদ দিলীপ শইকীয়া উপস্থিত থাকে। **মাজুলী** জিলা অসম গণ পৰিষদৰ মুখ্য কাৰ্যালয়ত দিনযোৰা কাৰ্যসূচীৰে দলৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। **বৰপেটাৰ** জিলা কাৰ্যালয়ত প্ৰতিষ্ঠা দিৱস দিনযোৰা কাৰ্যসূচীৰে পালন কৰা হয়। এই কাৰ্যসূচীত জিলা সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, প্ৰাক্তন বিধায়ক ডা০ তাৰাপ্ৰসাদ দাসকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।

০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱৰ সৈতে সংগতি ৰাখি শ্ৰীলংকাৰ কলম্বোত আজি সন্ধিয়া সিংহলা ভাষাত বাণীবদ্ধ বৰগীত এটি মুকলি কৰা হয়। কলম্বোত থকা ভাৰতীয় উচ্চ আয়ুগৰ উদ্যোগত এই কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০০

মৰিগাঁও জিলাৰ পবিতৰা অভয়াৰণ্য আজি পুৱা পৰ্যটকৰ বাবে মুকলি কৰা হয়। বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু মন্ত্ৰী পীযূষ হাজৰিকাই অভয়াৰণ্যখন আনুষ্ঠানিকভাৱে মুকলি কৰে। দেশী-বিদেশী পৰ্যটকৰ বাবে এইবাৰ ২০ খন জীপ ছাফাৰী আৰু ১৩টা বিভাগীয় হাতী ছাফাৰী সাজু কৰা হৈছে। উল্লেখযোগ্য যে সম্প্ৰতি ১০৭টা গঁড়, ৫ শতাধিক বনৰীয়া ম'হ, সহস্ৰাধিক বন গাহৰিৰ উপৰি প্ৰায় ৩৮৫টা প্ৰজাতিৰ দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ বিচৰণথলী হিচাপে পৰিগণিত অভয়াৰণ্যখন পৃথিৱীৰ ভিতৰতে আটাইতকৈ কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্য। আজি অভয়াৰণ্যখন মুকলি অনুষ্ঠানত মায়ঙৰ ৰজা তৰণীকান্ত সিংহ,

কেইবাগৰাকীও বন বিভাগৰ শীৰ্ষ বিষয়া আৰু স্থানীয় লোক উপস্থিত থাকে। অভয়াৰণ্যখন মুকলি কৰি মন্ত্ৰী পাটোৱাৰীয়ে এইদৰে কয়-

**- বাইট -**

০০০০০

মৰিগাঁও জিলা প্ৰশাসনে আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাঁও জিলা দিৱস উদযাপন কৰিছে। এই উপলক্ষে আজি পুৱা পতাকা উত্তোলন আৰু সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰা হয়। এইবাৰ এই দিৱসত কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰ, উদ্যান শস্য, কলা-সংস্কৃতি আৰু আৰ্থসামাজিক প্ৰতিটো দিশ সামৰিলৈ বিকাশৰ নতুন ধাৰাৰে জিলাখনক আগবঢ়াই লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। গৱেষণামূলক কৰ্মপন্থা আৰু নাগৰিকসকলৰ ঐক্যবদ্ধ প্ৰয়াসেৰে জিলাখনৰ উন্নয়নৰ সম্ভাৱনাসমূহ চিনাক্ত কৰাৰ বাবে এই দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী লোৱা হৈছে। আজি দিনৰ ভাগত অৰ্থনৈতিক পৰিৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ বিভিন্ন সম্ভাৱনা শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হয়। কাইলৈ পুৱা একেটা বিষয়ত যুৱ সমাৱেশৰ আয়োজন কৰা হ'ব। তদুপৰি কুইজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ১৯৮৯ চনৰ ১৯ ছেপ্তেম্বৰত মৰিগাঁও জিলাই নগাঁৱৰ পৰা পৃথক হৈ এখন সুকীয়া জিলা হিচাপে মৰ্যাদা লাভ কৰিছিল। সেই বছৰৰে ১৪ অক্টোবৰত জিলাখনৰ প্ৰথমগৰাকী উপায়ুক্তই দায়িত্বভাৰ গ্ৰহণ কৰিছিল। পবিতৰা অভয়াৰণ্য, গোভাৰজা আৰু ৰাজ পৰিয়ালৰ ঐতিহ্য, দেওশাল শিৱ মন্দিৰ, সীতা জখলা পৰ্যটন ক্ষেত্ৰ, মায়ঙৰ যাদুবিদ্যা আৰু পশ্চিম মায়ঙৰ শিলালিপিকে ধৰি বিভিন্ন স্বকীয় বৈশিষ্ট্যৰে মৰিগাঁও জিলাই ৰাজ্যখনৰ ভিতৰত সুকীয়া স্থান দখল কৰি আছে।

০০০০০

শাৰদীয় দুৰ্গা পূজাৰ সময়ছোৱাত ৰাজ্যখনত ৮৪৩টা পথ দুৰ্ঘটনা সংঘটিত হোৱা বুলি জৰুৰীকালীন সেৱা প্ৰদানকাৰী মৃত্যুঞ্জয় ১০৮ সেৱাই সদৰি কৰিছে। প্ৰতিষ্ঠানটোৱে আজি প্ৰকাশ কৰা অনুসৰি যোৱা ১১ অক্টোবৰত সৰ্বাধিক ১৫১টা আৰু ১২ অক্টোবৰত ১৮৭টা দুৰ্ঘটনা সংঘটিত হয়। ইয়াৰ ভিতৰত শোণিতপুৰ জিলাত সৰ্বাধিক ৬৬টা দুৰ্ঘটনা সংঘটিত হয়। কামৰূপ জিলাতো এই সময়ছোৱাত ৬০টা দুৰ্ঘটনা সংঘটিত হয়। ইপিনে পূজাৰ সময়ছোৱাত যোৱা ১২ৰ পৰা ১৪ অক্টোবৰলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ কেজুৱেলিটিত ১২০টা পথ দুৰ্ঘটনা পঞ্জীভুক্ত হয়। আঘাতপ্ৰাপ্ত ২৪ জন লোক এতিয়াও চিকিৎসাধীন হৈ আছে। পঞ্জীয়ন হোৱা পথ দুৰ্ঘটনাসমূহৰ ভিতৰত এজন লোকক মৃত অৱস্থাত চিকিৎসালয়লৈ অনা হৈছিল। হাস্পতালখনৰ অধীক্ষক ডা০ অভিজিৎ শৰ্মাই প্ৰকাশ কৰা অনুসৰি ১২০টা দুৰ্ঘটনাৰ ভিতৰত ৫৯টা গুৱাহাটী মহানগৰীৰ ভিতৰত আৰু ৬১টা মহানগৰীখনৰ বাহিৰত সংঘটিত হৈছে। দুৰ্ঘটনাত আহতসকলৰ ভিতৰত ১১২ জন পুৰুষ আৰু ৮ গৰাকী মহিলা আছে বুলি অধীক্ষকগৰাকীয়ে জানিবলৈ দিয়ে। আনহাতে নৱজাতকৰ পৰা ১০ বছৰ বয়সৰ ভিতৰৰ ৮টি দুৰ্ঘটনাত আহত হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। অৱশ্যে সজাগতাৰ বাবে যোৱা বছৰতকৈ এইবাৰ দুৰ্ঘটনাৰ সংখ্যা কিছু কম হৈছে বুলি তেওঁ প্ৰকাশ কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী তথা অসম অলিম্পিক সন্থাৰ সভাপতি সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অসম অলিম্পিক সন্থাৰ নৱগঠিত কাৰ্যনিৰ্বাহক পৰিষদৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত অনাগত সময়ত ৰাজ্যখনত ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলসমূহত প্ৰতিনিধিত্ব কৰিব পৰাকৈ অধিকসংখ্যক ক্ৰীড়া প্ৰতিভা পোহৰলৈ অনাৰ বাবে এটা কাৰ্যকৰী গোট গঠনৰ

সিদ্ধান্ত লোৱা হয়। ক্ৰীড়া বিশেষজ্ঞ আৰু প্ৰবীন খেলুৱৈসকলক লৈ এই গোটটো গঠন কৰা হ'ব বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে। তদুপৰি অনাগত সময়ত ক্ৰীড়া প্ৰতিযোগিতাৰ অয়োজন সন্দৰ্ভতো আলোচনা কৰা হয়। বৈঠকত অলিম্পিক পদক বিজয়ী লাভলীনা বৰগোহাঁইৰ নামত এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজনৰ সিদ্ধান্ত লোৱা হয়। তদুপৰি দিনযোৰা কাৰ্যসূচীৰে ক্ৰীড়া অভিবৰ্তন আৰু ২৩ জুনত ডিফুত অসম অলিম্পিক দিৱস আয়োজনৰ বাবে বৈঠকত সিদ্ধান্ত লোৱা হয়।

এই বৈঠকত উত্তৰাখণ্ডত হ'বলগীয়া পৰৱৰ্তী ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে অসমৰ দলটোৰ প্ৰস্তুতি আৰু আনুষংগিক দিশসমূহ পৰ্যালোচনা কৰা হয়। এই বৈঠক সন্দৰ্ভত কেন্দ্ৰীয় মন্ত্ৰী শ্ৰী সোণোৱালে কয়-

**-বাইট-**

আজিৰ বৈঠকত অসম অলিম্পিক সন্থাৰ উপ-সভাপতি তথা মন্ত্ৰী পীযূষ হাজৰিকা আৰু জয়ন্ত মল্লবৰুৱা, সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰকে ধৰি সন্থাৰ বিষয়ববীয়া উপস্থিত থাকে।

ooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত বিগত বছৰৰ দৰে এইবছৰো বিশিষ্ট সাহিত্যিক আৰু প্ৰকাশকসকললৈ **প্ৰকাশন পৰিষদ সাহিত্য বঁটা ২০২৪** প্ৰদানৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ২০২১ চনৰ ১ জানুৱাৰীৰ পৰা ২০২৩ চনৰ ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ মাজৰ পৰা নিৰ্বাচিত গ্ৰন্থখনৰ লেখক আৰু প্ৰকাশক দুয়োগৰাকীকে পুৰস্কৃত কৰা হ'ব। আজি এটা বিবৃতিযোগে পৰিষদৰ সচিব প্ৰমোদ কলিতাই জানিবলৈ দিয়া মতে এই বঁটা গ্ৰন্থৰ লেখকক ৫ লাখ টকাৰ সৈতে মানপত্ৰ আৰু প্ৰকাশকক ৩ লাখ টকাৰ লগতে মানপত্ৰ প্ৰদান কৰা হ'ব। নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত প্ৰকাশিত উপন্যাস, গল্প, নাটক আৰু কাব্যগ্ৰন্থৰ লেখক অথবা প্ৰকাশকৰ যিকোনো এগৰাকীয়ে প্ৰ-পত্ৰ পূৰণ কৰি প্ৰেৰণ কৰিব পাৰিব। প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি অহা ১৫ নৱেম্বৰৰ ভিতৰত পোৱাকৈ প্ৰেৰণ কৰিব লাগিব। প্ৰ-পত্ৰ assampublicationboard@gmail.com-ৰ জৰিয়তে প্ৰেৰণ কৰাৰ উপৰি ডাকযোগেও প্ৰ-পত্ৰৰ সৈতে গ্ৰন্থৰ চাৰিটা কপি প্ৰেৰণ কৰিব পাৰিব। প্ৰ-পত্ৰখন অসম প্ৰকাশন পৰিষদৰ ৱেবছাইট www.publicationboardassam.com-ত উপলব্ধ হ'ব বুলি সচিবগৰাকীয়ে প্ৰকাশ কৰে।

ooooo

অসমীয়া শিশু সাহিত্যৰ চৰ্চা, সৃষ্টি আৰু উত্তৰণৰ লক্ষ্যৰে প্ৰতিষ্ঠিত কিৰণ তামূলী শিশু সাহিত্য ন্যাসে চলিত বৰ্ষৰ বাবে প্ৰদান কৰা কিৰণ তামূলী শিশু সাহিত্য পৰ্যালোচনা সভা ববিতা শৰ্মালৈ আগবঢ়োৱা হৈছে। শিশু সাহিত্যৰ **সুবাস** শীৰ্ষক গ্ৰন্থৰ বাবে লেখিকাগৰাকীয়ে এই বঁটা লাভ কৰিছে। ২০১৯ চনৰ পৰা ২০২৩ চনৰ ভিতৰত প্ৰকাশিত সৃষ্টিমূলক শিশু সাহিত্য, শিশু সাহিত্য পৰ্যালোচনা, শিশু সাহিত্য অলংকৰণ আৰু শিশু সাহিত্য প্ৰকাশন এই চাৰিটা শিতানত শিশু গ্ৰন্থ আহ্বান জনোৱা হৈছিল। অহা ২৩ অক্টোবৰত যোৰহাটত নেচনেল বুক ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ মুখ্য সম্পাদক কুমাৰ বিক্ৰমে এই বঁটা প্ৰদান কৰিব।

ooooo

সমাপ্ত